# 2024

# ASSAMESE

## ( Regular Elective )

Paper : ASM–RE–5016/5026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Answer the questions from *any* **one** Option

## OPTION—A

Paper : ASM–RE–5016

( শংকৰদেৱ )

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) শংকৰদেৱে ৰচনা কৰা ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ এখনৰ নাম লিখা।

(খ) 'গুণমালা' গ্ৰন্থখনত কিমানটা খণ্ড আছে?

(গ) চৰিত পুথিত উল্লেখ থকা মতে শংকৰদেৱে কিমান বৰগীত ৰচনা কৰিছিল?

(ঘ) "সবকহু মাৰি পূৰত ওহি উদৰ
নাহি কৰত ভূতদায়া।"

ইয়াত 'ভূতদায়া' শব্দটোৰ অৰ্থ কি?

(ঙ) সত্যেন্দ্ৰনাথ শৰ্মাই শংকৰদেৱৰ কোনখন গ্ৰন্থক তেওঁৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন বুলি কৈছে?

(চ) 'শিশু-লীলা' অধ্যায়ত শিশুকৃষ্ণই বধ কৰা এগৰাকী ৰাক্ষসীৰ নাম লিখা।

(ছ) "সেহি বন-মাজে গজেন্দ্ৰ আছে।" গজেন্দ্ৰ থকা বনখনৰ নাম কি?

(জ) ৰজা হৰিশ্চন্দ্ৰই ৰাজসূয় যজ্ঞত পূজা কৰা নকৰাৰ বাবে কোনজন দেৱতা ক্ষুণ্ণ হৈছিল?

(ঝ) শংকৰদেৱৰ কোনখন নাটক নাট্যধৰ্মত শ্ৰেষ্ঠ বুলি কোৱা হয়?

(ঞ) 'পাৰিজাত হৰণ' নাটত ইন্দ্ৰৰ পত্নীৰ নাম কি?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে অংকীয়া নাট ৰচনা কৰাৰ পূৰ্বৰে পৰা অসমত প্ৰচলিত হৈ থকা দুটা লোকনাট্যধৰ্মী অনুষ্ঠানৰ নাম লিখা।

(খ) 'পাৰিজাত হৰণ' নাটৰ কাহিনীভাগ মূলতঃ কোন দুখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(গ) শংকৰদেৱৰ বৰগীতৰ বিষয়বস্তুৰ দুটা বৈশিষ্ট্য লিখা।

(ঘ) নৱবিধ ভক্তিৰ ভিতৰত কোন দুবিধ ভক্তিক বৈষ্ণৱ ধৰ্মত প্ৰাধান্য দিয়া হৈছে?

(ঙ) হৰিশ্চন্দ্ৰ ৰজাৰ পত্নী আৰু পুত্ৰৰ নাম কি?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) বৰগীতৰ বিষয়বস্তুৰ শ্ৰেণীবিভাজন সম্পৰ্কে আলোচনা কৰা।

(খ) শংকৰদেৱৰ সাহিত্যৰাজিক কেনেদৰে শ্ৰেণীবিভাজন কৰিব পাৰি, দেখুৱাই দিয়া।

(গ) 'নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা'—বৰগীতটোৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(ঘ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ শৈব্যা চৰিত্ৰটোৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(ঙ) কি পৰিস্থিতিত, কেনেদৰে চণ্ডাল ৰূপত থকা ৰজা হৰিশ্চন্দ্ৰই পত্নীক লগ পাইছিল, 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ আধাৰত বৰ্ণনা কৰা।

(চ) 'পাৰিজাত হৰণ' নাটত শ্ৰীকৃষ্ণৰ মানবীয় ৰূপ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱৰ নাট্যকৃতিৰ চমু আভাস দি এটি নিবন্ধ যুগুত কৰা।

(খ) "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতাই 'কীৰ্ত্তন-ঘোষা'ক অলৌকিক সৌন্দৰ্য দান কৰিছে।" কথাষাৰৰ আধাৰত 'কীৰ্ত্তন-ঘোষা'ৰ সৌন্দৰ্য বিচাৰ কৰা।

(গ) শংকৰদেৱৰ সাহিত্য সৃষ্টিৰ পটভূমি সম্পৰ্কে বিতংকৈ আলোচনা কৰা ।

(ঘ) 'কীৰ্ত্তন-ঘোষা'ৰ 'শিশুলীলা' অধ্যায়ত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক ৰূপ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা ।

(ঙ) হৰিশ্চন্দ্ৰ ৰজাই কিয় সোঁশৰীৰে স্বৰ্গলৈ যোৱা নাছিল ? পাছত তেওঁ কিদৰে স্বৰ্গগমন কৰিলে, 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ আধাৰত বৰ্ণনা কৰা ।

(চ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ মাজেৰে ভক্তি, ত্যাগ আৰু সত্যনিষ্ঠতাৰ মহিমা কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা ।

(ছ) 'পাৰিজাত হৰণ' নাটত নাৰদ চৰিত্ৰটোৰ ভূমিকা সম্পৰ্কে বিশদভাৱে আলোচনা কৰা ।

(জ) 'পাৰিজাত হৰণ' নাটৰ ৰস সম্পৰ্কে এটি আলোচনা যুগুত কৰা ।

OPTION—B

Paper : ASM–RE–5026

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) জয়মতী কুঁৱৰীৰ গীত কোন শ্ৰেণীৰ লোকগীত ?

(খ) 'গেয়' শব্দৰ আভিধানিক অৰ্থ কি ?

(গ) 'অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা' গ্ৰন্থৰ ৰচক কোন ?

(ঘ) 'প্ৰবচন' শব্দৰ অৰ্থ কি ?

(ঙ) কাৰ্বি জনগোষ্ঠীৰ লোকসাহিত্যত ফকৰা-যোজনাক কি শব্দৰে বুজোৱা হয় ?

(চ) ইংৰাজী 'Tale' অভিধাটোৰ অসমীয়া প্ৰতিশব্দটো কি ?

(ছ) মালিতাৰ ইংৰাজী প্ৰতিশব্দ কি ?

(জ) 'বৈছাগু' কোনটো জনগোষ্ঠীৰ উৎসৱ ?

(ঝ) ৰাভাসকলে বায়খো উৎসৱ কোনটো মাহত পালন কৰে ?

(ঞ) 'কৰম পৰৱ' কোনটো জনগোষ্ঠীৰ উৎসৱ ?

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) 'জনসাহিত্য' গ্ৰন্থখনৰ ৰচক কোন? ইয়াত 'জনসাহিত্য' শব্দটোৰ কি অৰ্থ প্ৰকাশ কৰিছে?

(গ) দুখন অসমীয়া মন্ত্ৰপুথিৰ নাম লিখা।

(ঘ) প্ৰকৃতি আৰু বিষয়বস্তু অনুসৰি সাঁথৰৰ ভাগ কি কি?

(ঙ) 'পয়' আৰু 'চাংকেন' শব্দৰ অৰ্থ কি?

৩। তলৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) বিহুগীতৰ বৈশিষ্ট্য

(খ) জনশ্ৰুতি আৰু সাধুকথা

(গ) সমকালীন মালিতা

(ঘ) মহখেদা গীত

(ঙ) অইনিতম

(চ) হুদুম পূজাৰ গীত

৪। তলত দিয়াবোৰৰ যি কোনো চাৰিটাৰ ৰচনাধৰ্মী উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া লোকসাহিত্যৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰা।

(খ) আঞ্চলিক লোকসাহিত্য বুলিলে কি বুজা? আঞ্চলিক লোকসাহিত্য সম্পৰ্কে আলোচনা কৰা।

(গ) জনজাতীয় সমাজত ফকৰা-যোজনা, প্ৰবাদ পটন্তৰৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা।

(ঘ) মন্ত্ৰসাহিত্যৰ পৰিচয় দি ইয়াৰ প্ৰাচীনত্ব সম্পৰ্কে আলোচনা কৰা।

(ঙ) 'জনজাতীয় লোকসাহিত্যত নিচুকণি গীত' এই শিতানত এটি নিবন্ধ যুগুত কৰা।

(চ) অসমত প্ৰচলিত খেল-ধেমালিবোৰত ব্যৱহৃত গীত-মাতৰ বিষয়ে চমুকৈ লিখা।

(ছ) মালিতা বুলিলে কি বুজা? মালিতাৰ বিশেষত্ব আৰু ইয়াৰ শ্ৰেণীবিভাজন সম্পৰ্কে লিখা।

(জ) গোৱালপৰীয়া লোকগীতত প্ৰেম আৰু বিৰহৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

★★★